# কলঙীয়া বা

## কাব্য পত্ৰিকা




সহযোগী সম্পাদক
জেউতি হাজৰিকা
জয়ন্তী বৰা

মুখ্য সম্পাদক
ড° মঞ্জু লস্কৰ

# কলঙীয়া বা

(কাব্য পত্ৰিকা)

অসম কবি সন্মিলন ঃ নগাঁও জিলা কবি সন্মিলন

নগাঁও (অসম)

মুখ্য সম্পাদক

ড° মঞ্জু লস্কৰ

সহযোগী সম্পাদক

জেউতী হাজৰিকা, জয়ন্তী বৰা

# কলঙীয়া বা

অসম কবি সন্মিলন আৰু নগাঁও জিলা কবি সন্মিলনৰ সৌজন্যত অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ১৩২ সংখ্যক জন্ম দিৱস উপলক্ষে প্ৰকাশিত কাব্য পত্ৰিকা।

**মুখ্য সম্পাদক-** ড° মঞ্জু লস্কৰ

**সহযোগী সম্পাদক-** জেউতী হাজৰিকা, জয়ন্তী বৰা

**প্ৰকাশ কাল-** ১৭ ডিচেম্বৰ, ২০১৭

**প্ৰকাশক-** অসম কবি সন্মিলন ঃ নগাঁও জিলা কবি সন্মিলন

© গ্ৰন্থস্বত্ব- নগাঁও জিলা কবি সন্মিলন

মূল্য- ১৩০.০০ টকা

মুদ্ৰণ

গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন,

মিলনপুৰ, নগাঁও, অসম, পিন- ৭৮২০০১

# প্ৰসাধন

ড° নমিতা কলিতা

এদিন ভয় খালোঁ
প্ৰসাধনবিহীন মুখৰ শ্ৰী হেৰাই গৈছে
প্ৰসাধনত বহিলোঁ
বগা হ'লোঁ, গুলপীয়া হ'লোঁ
আইনাৰ সন্মুখত নিজকেই চাই
নিজৰ লগতেই প্ৰেম কৰিলোঁ
সেউজীয়া পৃথিৱীখনলৈ গুলাই গ'লোঁ
প্ৰসাধনপূৰ্ণ দেহশ্ৰীৰে
ৰামধেনুৰ ৰঙৰ মাজত
নিজৰ সত্তাৰ লগতে আলাপ কৰিলোঁ...
ভয় খাই উঠিলোঁ
প্ৰসাধনে যে বগা কৰিব পৰা নাই
মোৰ হিয়া-মন
মোৰ অন্তঃসত্তাৰ তমসাখিনি।
আছেনে কিবা প্ৰসাধন বিশ্বে
মোৰ তমসাখিনি কৰিব সম্ভঃ
মোৰ ক'লা মন কৰিব বগা।
কেতিয়াবা কোনোবাটো ৰাতিপুৱাত
কোনোবাটো সন্ধ্যাত
কোনোবাটো দুপৰীয়াত
আৰু বহুতো কোনোবা সময়ত
ভয় হয়
এনে অভিজ্ঞতাই
মোৰ মনৰ মানুহ জাকক চুই যায় বুলি। ●